# Assam Goes Online (AGO)

শ্ৰেণী: অষ্টম বিষয়: বিজ্ঞান বিষয়বস্তু: সাংশ্লেষিক আঁহ আৰু প্লাষ্টিক

শিকণ উদ্দেশ্য:

- ছাত্ৰ-ছাত্ৰীক প্ৰাকৃতিক আৰু কৃত্ৰিম (সাংশ্লেষিক) আঁহৰ মাজত থকা পাৰ্থক্য আৰু ইয়াৰ উত্সসমূহৰ বিষয়ে জ্ঞান দিয়া
- কৃত্ৰিম (সাংশ্লেষিক) আঁহ আৰু প্লাষ্টিকৰ বিভিন্ন ব্যৱহাৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়া
- প্লাষ্টিকৰ পৰা পৰিৱেশত হোৱা অপকাৰসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সজাগ কৰা

| দৈনিক ক্ৰম | সময় | ক্ৰিয়াকলাপ | সমল উত্সসমূহ |
|---|---|---|---|
| | ২০ মিনিট | **কাৰ্যকলাপ ১:**<br>ছাত্ৰ-ছাত্ৰীয়ে চৌপাশৰ পৰা প্ৰাকৃতিক আৰু মানৱ-সৃষ্ট আঁহেৰে বনোৱা বিভিন্ন বস্তুৰ এখন তালিকা প্ৰস্তুত কৰা। তেওঁলোকে সেই তালিকাখন তেওঁলোকৰ শিক্ষকক দেখাব। | |

Supported By: TATA TRUSTS

*Prepared by*: Kaveri Borthakur, Milan Higher Secondary School, Banekuchi, Nalbari , Assam*; Edited by*: Nikhat Nasrin Khan, ITE Resource Team, TISS, *Translated by:* Nitumani Kalita, Gramya Vikash Mancha, Assam

| | | | |
|---|---|---|---|
| ১ম দিন | ৪০ মিনিট | **কাৰ্যকলাপ ২:**<br><br>ছাত্ৰ-ছাত্ৰীয়ে মনোযোগেৰে পাঠটো পঢ়িব আৰু তেওঁলোকৰ প্ৰশ্ন বা শংকাবোৰ লিখিব। তেওঁলোকে প্ৰশ্ন/শংকাবোৰ শিক্ষক/অভিভাৱকৰ সৈতে আলোচনা কৰিব।<br><br>শিক্ষক/অভিভাৱকে এনেধৰণৰ প্ৰশ্নবোৰ সুধিব:<br><br>– প্ৰাকৃতিক আৰু কৃত্ৰিম (সাংশ্লেষিক) আঁহৰ মাজত থকা পাৰ্থক্য কি?<br>– প্ৰাকৃতিক আঁহৰ উত্সসমূহ কি কি?<br>– প্ৰাকৃতিক আঁহক কৃত্ৰিম (সাংশ্লেষিক) আঁহলৈ ৰূপান্তৰিত কৰিব পাৰিনে?   উদাহৰণ দিয়া। | শিক্ষকে ছাত্ৰ-ছাত্ৰীক Diksha app ডাউনলোড কৰিবলৈ উপদেশ দিয়াৰ লগতে সহায় কৰিব, য'ত পাঠটো বৰ্ণনা কৰা ভিডিঅ' তেওঁলোকে চাব পাৰিব।<br><br>**Link:**<br><br>See বিজ্ঞান (অষ্টম শ্ৰেণীৰ পাঠ্যপুথি)/ Science (Class-8) on DIKSHA at https://diksha.gov.in/play/content/do_3126167504747560961836?referrer=utm_source%3Ddiksha_mobile%26utm_content%3Ddo_31265902959586508811129%26utm_campaign%3Dshare_content<br><br>Get DIKSHA app from: ( DIKSHA app এই লিংকত পাব):<br>https://play.google.com/store/apps/details?id=in.gov.diksha.app&referrer=utm_source%3D2c9ad25f97b6b864de02b04426a3fc81d3e59b61%26utm_campaign%3Dshare_app |
| ২য় দিন | ৪৫ মিনিট | – ছাত্ৰ-ছাত্ৰীয়ে প্ৰাকৃতিক আৰু মানৱ-সৃষ্ট আঁহৰ বিভিন্ন উপাদানসমূহ, কিমান প্ৰকাৰৰ আঁহ আছে আৰু সেইবোৰ ক'ত ব্যৱহাৰ হয় উলিয়াই ল'ব। পৰীক্ষাগাৰত মানৱ-সৃষ্ট আঁহসমূহ কিদৰে প্ৰস্তুত কৰা হয় তাকো উলিয়াব।<br>– ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ চৌপাশৰ পৰা প্ৰতিবিধ আঁহেৰে বনোৱা পাঁচবিধ বস্তু বিচাৰি ল'ব। তেওঁলোকে উপাদানসমূহ, আঁহৰ প্ৰকাৰ উদাহৰণসহ টোকাবহীত লিখিব আৰু শিক্ষক/অভিভাৱকক দেখাব। (ছাত্ৰ-ছাত্ৰীয়ে পূৰ্ব্বতে প্ৰস্তুত কৰা তালিকাখনৰ কথাও উল্লেখ কৰিব পাৰে)<br>– ছাত্ৰ-ছাত্ৰীয়ে পাটপলুৰ জীৱন চক্ৰ আৰু আমি কিদৰে তাৰ পৰা পাটসূতা পাওঁ তাক বিচাৰি উলিয়াব। ভাৰতবৰ্ষৰ কোনখন | অধিক তথ্যৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি আৰু ইন্টাৰনেটৰ সহায় ল'ব পাৰে। |

| | | | |
|---|---|---|---|
| | | ৰাজ্যই সৰ্বাধিক পাট উত্পন্ন কৰে?<br>– ছাত্ৰ-ছাত্ৰীয়ে তাপনমনীয় প্লাষ্টিক আৰু তাপদৃঢ় প্লাষ্টিক কি উলিয়াব। তেওঁলোকে উদাহৰণসহ ব্যাখ্যা কৰিব। | |
| ৩য় দিন | ৪৫ মিনিট | **মূল্যায়ণ:**<br>**কাৰ্যকলাপ ১: (মূল্যায়ণ)**<br><br>ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃতিৰ ওপৰত প্লাষ্টিকৰ অপকাৰৰ বিষয়ে এখন প্ৰচাৰ-পত্ৰ (পোষ্টাৰ) বনাৱ আৰু তেওঁলোকৰ শিক্ষকক দেখাব। ছাত্ৰ-ছাত্ৰীয়ে প্ৰচাৰ-পত্ৰ (পোষ্টাৰ) খন কাগজতো বনাৱ পাৰে বা Postermyworld, Pictochart ইত্যাদি ধৰণৰ এপ্লিকেচনো ব্যৱহাৰ কৰিব পাৰে। প্ৰচাৰ-পত্ৰ (পোষ্টাৰ) খনত তলৰ কথাখিনি স্পষ্ট হোৱা উচিত:<br>• প্লাষ্টিক প্ৰকৃতিৰ কাৰণে কিমান হানিকাৰক<br>• ই পক্ষী, প্ৰাণী, সামুদ্ৰিক প্ৰাণী ইত্যাদিক কিদৰে প্ৰভাৱিত কৰে<br>• প্ৰকৃতিৰ ওপৰত হানিকাৰক প্ৰভাৱ আমি কেনেদৰে হ্ৰাস কৰিব পাৰো<br>• 4R (চাৰিটা‘R’), Reduce (হ্ৰাস কৰা), Reuse (পুনৰ্ব্যৱহাৰ কৰা), Recycle (পুনৰাৱৰ্তন কৰা) আৰু Recover (পুনৰুদ্ধাৰ কৰা) | |
| | ৪০ মিনিট | **মূল্যায়ণ:**<br>**কাৰ্যকলাপ ২: (মূল্যায়ণ)**<br><br>ছাত্ৰ-ছাত্ৰীয়ে তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰিব: | |

Supported By:
TATA TRUSTS

*Prepared by*: Kaveri Borthakur, Milan Higher Secondary School, Banekuchi, Nalbari , Assam*; Edited by*: Nikhat Nasrin Khan, ITE Resource Team, TISS, *Translated by:* Nitumani Kalita, Gramya Vikash Mancha, Assam

| | | | |
|---|---|---|---|
| | | — ঘৰত কাচ আৰু ধাতৱ পাত্ৰৰ তুলনাত প্লাষ্টিকৰ পাত্ৰ সচৰাচৰ কিয় ব্যৱহাৰ কৰা হয়?<br>— বৈদ্যুতিক চুইচ আৰু অন্য বৈদ্যুতিক আহিলাসমূহ কিয় তাপদৃঢ় প্লাষ্টিকেৰে বনোৱা হয়?<br>— ধাতৱ ঝাৰত আমি আচাৰ সাচি ৰাখিব পাৰোনে? যদি নোৱাৰো কিয়?<br>— ১৯৪৬ চনৰ নাইলন সংঘৰ্ষ কি আছিল? | |

Supported By:
TATA TRUSTS
*Prepared by*: Kaveri Borthakur, Milan Higher Secondary School, Banekuchi, Nalbari , Assam*; Edited by*: Nikhat Nasrin Khan, ITE Resource Team, TISS, *Translated by:* Nitumani Kalita, Gramya Vikash Mancha, Assam